# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১।	ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ কেইটামান ঘণ্টা বাকী থকা অৱস্থাত প্ৰচাৰ তুংগত।

২।	ওড়িশাৰ কটকত বেংগালুৰু-গুৱাহাটী কামাখ্যা ছুপাৰ ফাষ্ট এক্সপ্ৰেছৰ ১১টা দবা লাইনচ্যুত। এজন লোকৰ মৃত্যু, অসমৰ দুজন যাত্ৰী আহত।

৩।	ঈদ-উল-ফিটৰ উপলক্ষে ৰাজ্যজুৰি প্ৰস্তুতি। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ শুভেচ্ছা।

৪।	মন কী বাত অনুষ্ঠানৰ জৰিয়তে কেইবাখনো ৰাজ্যত আৰম্ভ হ'বলগীয়া নৱবৰ্ষৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওলগ।

**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটী বৰ্ষাপাৰা ষ্টেডিয়ামত কিছু সময় পাচত হ'বলগীয়া খেলত ৰাজস্থান ৰয়েলছ, চেন্নাই চুপাৰ কিংছৰ মুখামুখি।

ooooo

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত কেইঘণ্টামান বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। গোৱালপাৰা আৰু কামৰূপৰ ৩৩টা পৰিষদীয় সমষ্টিত অহা ২ এপ্ৰিলত হ'বলগীয়া এই নিৰ্বাচনৰ বাবে বিজেপি, মিত্ৰদল অসম গণ পৰিষদ আৰু ৰাভা হাচং যৌথ সংগ্ৰাম সমিতিয়ে আজিও ব্যাপক প্ৰচাৰ চলায়। ইয়াৰ  লগতে কংগ্ৰেছ দল আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলেও প্ৰচাৰ তীব্ৰতৰ কৰি তোলে। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে আজি কামৰূপ জিলাত প্ৰচাৰ চলায়। মন্ত্ৰীগৰাকীয়ে বামুনীগাওঁ পৰিষদীয় সমষ্টিৰ মিত্ৰজোটৰ প্ৰাৰ্থী অজিত ৰাভাৰ হৈ প্ৰচাৰ চলায়। প্ৰচাৰ সভাত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এইদৰে কয় ঃ

বাইট

মন্ত্ৰী তথা বিজেপিৰ নেতা জয়ন্ত মল্ল বৰুৱাইও আজি কামৰূপ জিলাত  দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তেওঁ চানডুবি সমষ্টিত মিত্ৰজোটৰ প্ৰাৰ্থী নৃপেন চন্দ্ৰ ৰাভা আৰু পান্তান সমষ্টিৰ প্ৰাৰ্থী ৰমাকান্ত ৰাভাৰ হৈ প্ৰচাৰ চলায়।

গোৱালপাৰা জিলাত বিজেপি সমৰ্থিত ৰাভা হাচং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী দিবাকৰ ৰাভাই আজি কেইবাখনো প্ৰচাৰ সভাৰ আয়োজন কৰে। একেদৰে দদান পৰিষদীয় সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী হেমকান্ত ৰাভাই আজি সমষ্টিটোত মটৰ চাইকেল সমদল উলিয়াই ভোটদাতাক আকৰ্ষণ কৰাৰ চেষ্টা চলায়।

গোৱালপাৰা জিলাত ১৯টা আৰু কামৰূপ জিলাত ১৪টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। সমষ্টিকেইটাত বিৰোধী কংগ্ৰেছকে ধৰি বিভিন্ন দল আৰু নিৰ্দলীয় প্ৰাৰ্থী সকলেও প্ৰচাৰ অব্যাহত ৰাখিছে।

উল্লেখযোগ্য যে পৰিষদৰ ৪০ খন আসনৰ ভিতৰত ৪ খনৰ বাবে সদস্য মনোনীত কৰা হয়। তিনিখনত এন ডি এৰ প্ৰাৰ্থী তিনিগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। ৩৩ খন আসনৰ বাবে ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। সমষ্টিকেইটাত ৪ লাখ ৪৫ হাজাৰ ৫৮৬ গৰাকী ভোটদাতা আছে আৰু ইয়াৰে ২ লাখ ২৯ হাজাৰ ৩৯৪ গৰাকী মহিলা ভোটদাতা। ৪ এপ্ৰিলত নিৰ্বাচনত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

ওড়িশাৰ কটক জিলাৰ নিৰগুন্দি ৰে'লৰে ষ্টেচনৰ সমীপত আজি বেংগালুৰু-গুৱাহাটী কামাখ্যা ছুপাৰ ফাষ্ট এক্সপ্ৰেছ দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাৰ ফলত ৰে'লখনৰ ১১টা দবা লাইনচ্যুত হৈ এজন লোক নিহত হোৱাৰ লগতে কমেও সাতজন লোক আহত হৈছে। আহত যাত্ৰীসকলক স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইতিমধ্যে ঘটনাস্থলীত ৰে'ল বিভাগৰ শীৰ্ষ বিষয়া উপস্থিত হোৱাৰ লগতে উদ্ধাৰ অভিযান পূৰ্ণগতিত চলি আছে। গুৱাহাটী অভিমুখী ৰে'লখন দুৰ্ঘটনাত পতিত হোৱাৰ খবৰ পোৱাৰ পাছতে অসম চৰকাৰে তৎপৰতাৰে বন্দোবস্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে ওড়িশা চৰকাৰ আৰু ৰে'ল বিভাগৰ সৈতে নিৰন্তৰ যোগাযোগ অব্যাহত ৰাখিছে। দুৰ্ঘটনাগ্ৰস্ত ৰে'লখনত থকা অসমৰ যাত্ৰীসকলক সুকলমে ওভতাই অনাৰ বাবে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। দুৰ্ঘটনাত অসমৰ দুজন যাত্ৰী আহত হৈছে যদিও দুয়ো বিপদমুক্ত বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। আহত লোক দুজন ওদালগুৰিৰ উইলছন ডিগেল আৰু বাক্সাৰ আমিৰন নিছা। আনহাতে, উত্তৰ-পূব সীমান্ত ৰে'লৰেই কেইবাটাও হেল্পলাইন নম্বৰ মুকলি কৰিছে।

ooooo

পবিত্ৰ ৰমজান মাহৰ ৰোজাৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে কাইলৈ ঈদ-উল-ফিটৰ উদযাপনৰ বাবে সাজু হৈছে। ঈদ-উল-ফিটৰ উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যাপক উচাহ দেখিবলৈ পোৱা গৈছে। কাইলৈ সমুহীয়া নামাজৰ বাবে মছজিদ আৰু ঈদগাহসমূহ সজাই তোলা হৈছে। তদুপৰি বাসগৃহসমূহো আটক ধুনীয়াকৈ সজাই তোলাৰ উপৰি অতিথিক আপ্যায়নৰ বাবে ঘৰে ঘৰে সুস্বাদু খাদ্য সম্ভাৰ প্ৰস্তুত কৰা হৈছে। গুৱাহাটী মহানগৰীৰ ফাঁচিবজাৰ, গণেশগুৰি, হাতীগাওঁকে ধৰি বিভিন্ন অঞ্চলৰ বজাৰসমূহত ঈদৰ সামগ্ৰী ক্ৰয় কৰাৰ বাবে জনসাধাৰণে ভিৰ কৰা পৰিলক্ষিত হৈছে।

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত ঈদ উল ফিটৰ উপলক্ষে ব্যাপক উৎসাহ উদ্দীপনাই বিৰাজ কৰিছে। শিৱসাগৰ নগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ঈদগাহসমূহৰ লগতে জুম্মা মছজিদ সজাই-পৰাই তোলা হৈছে। শিৱসাগৰত ঈদ উদ্‌যাপনৰ পৰিবেশ সন্দৰ্ভত জনাবলৈ আমাৰ সৈতে আছে জিলাখনৰ আমাৰ সংবাদদাতা মুজাহিদ আলী।

বাইট

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই ঈদ উল ফিটৰ উপলক্ষে অসমৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে বিশ্বাস, কৃতজ্ঞতা আৰু আধ্যাত্মিক পৰিপূৰ্ণতাক

প্ৰতিফলিত কৰা এই উৎসৱে জনসাধাৰণৰ মাজত আত্ম অনুশাসন আৰু নিষ্ঠাৰ মনোভাৱ জাগ্ৰত কৰে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি কেইদিনমানৰ পাছতেই ভাৰতৰ কেইবাখনো ৰাজ্যত আৰম্ভ হ'বলগীয়া নৱবৰ্ষৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। দেশ-বিদেশৰ শ্ৰোতাৰ আগত মনৰ ভাৱ ব্যক্ত কৰি শ্ৰীমোদীয়ে কয় যে দেশৰ বিভিন্ন ৰাজ্যত বিশেষকৈ কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাত উগাডী উৎসৱ পালন কৰা হৈছে। আজি মহাৰাষ্ট্ৰত পালন কৰা গুড়ী পৰোৱা উৎসৱৰ কথা উল্লেখ কৰি তেওঁ কয়, যে বিচিত্ৰতাৰে ভৰা আমাৰ দেশত কেইদিনমানৰ পাছতে অসমত ৰঙালী বিহু, পশ্চিমবংগত পহিলা বৈশাখ আৰু কাশ্মীৰত নৱৰেহ উৎসৱ পালন কৰা হ'ব। কাইলৈ পালন হ'বলগীয়া ঈদ উৎসৱৰ বিষয়ে উল্লেখ কৰি তেওঁ এই উৎসৱসমূহৰ বাবে সকলোকে শুভেচ্ছা জ্ঞাপন কৰে।

বাইট

মন কী বাত অনুষ্ঠানত ছাত্ৰ ছাত্ৰীসকলৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলে শিকিবৰ বাবে বৰ্তমান বহু নতুন নতুন উপায় ওলাইছে। কোনোৱে প্ৰযুক্তি শিবিৰৰ আয়োজন কৰিছে য'ত ছাত্ৰ-ছাত্ৰীয়ে এপ বনাবলৈ শিকাৰ লগতে অ'পেন চোৰ্চ ছফটৱেৰ সম্পৰ্কেও জানিব পাৰে বুলি তেওঁ কয়। সেইদৰে গৰম বন্ধৰ সময়ছোৱাত পৰিবেশ, নাটক, নেতৃত্ব আদি বিভিন্ন বিষয়ৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ সন্দৰ্ভতো প্ৰধানমন্ত্ৰীগৰাকীয়ে মন কী বাত অনুষ্ঠানত উল্লেখ কৰে। কোনো সংগঠন, বিদ্যালয় বা সামাজিক সংস্থাই যদি এনে কাৰ্যৰ আয়োজন কৰিছে তেনেহলে সেই কথা #myholidays ৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে অনুৰোধ জনাইছে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে বৰষুণৰ পানী সংৰক্ষণ কৰাৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয় যে জলশক্তি মন্ত্ৰালয়ৰ লগতে বিভিন্ন সংগঠনে পানী সংৰক্ষণৰ বাবে কাম কৰিবলৈ প্ৰস্তুতি চলাইছে। দেশত হাজাৰ হাজাৰ কৃত্ৰিম পুখুৰী, চেক দেম, বৰৱেল ৰিচাৰ্জ আৰু কমিউনিটি চকপিত নিৰ্মাণ কৰা হৈছে। এইবছৰো পানী সংৰক্ষণৰ বাবে Catch the rain অভিযানৰ প্ৰস্তুতিৰ বিষয়ে প্ৰকাশ কৰি তেওঁ কয় যে এই অভিযান চৰকাৰৰ নহয়, বৰং ৰাইজৰহে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁৱৰ কামপুৰত কপিলী নৈৰ ওপৰত নিৰ্মাণ কৰা দলঙৰ শুভ উদ্বোধন কৰে। ২৪ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা দলংখন উন্মোচন কৰাৰ লগতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কামপুৰ ৰে'লৰে উৰণ সেতুও মুকলি কৰে। আনহাতে মুখ্যমন্ত্ৰীগৰাকীয়ে নগাঁও জিলাৰ পুৰণিগুডামৰ ঐতিহ্যমণ্ডিত বাপুজী ভৱনৰ নৱনিৰ্মিত ভৱনৰ দ্বাৰ মুকলি কৰে। এই অনুষ্ঠানটোৰ আন্তঃগাঁথনি উন্নয়নৰ অৱশিষ্ট কাম সম্পূৰ্ণ কৰিবলৈ ৰাজ্য চৰকাৰে ১ কোটি টকা আগবঢ়াব বুলি মুখ্যমন্ত্ৰীগৰাকীযে ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে নগাঁও ভ্ৰমণৰ সময়ছোৱাত আন কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে কামপুৰৰ ক্ৰীড়া সন্থালৈ ১০ কোটি টকা অনুদান আগবঢ়ায়।

০০০০০

উত্তৰ পূৱ সীমান্ত ৰেলৱে গ্ৰীষ্মকালত যাত্ৰীৰ অতিৰিক্ত ভিৰ নিয়ন্ত্ৰণৰ বাবে ৪ টা যাত্ৰাৰ বাবে বিশেষ ৰেল চলাচলৰ সিদ্ধান্ত লৈছে। ৰেলসমূহ অহা ১০ এপ্ৰিলৰ পৰা ৪ মে'লৈকে ছত্ৰপতি শিৱাজী মহাৰাজ টাৰ্মিনাছ আৰু নাৰেংগী ষ্টেছনৰ মাজত আৰু ৬ ৰ পৰা ২৯ এপ্ৰিললৈ কোলহাপুৰ আৰু কাটিহাৰৰ মাজত প্ৰতিটো দিশত ৪ টা যাত্ৰাৰ বাবে চলাচল কৰোৱা হ'ব। ০১০৬৫ নম্বৰৰ বিশেষ ৰেলখন ১০ এপ্ৰিলৰ দিনৰ এঘাৰ বাজি ৫ মিনিটত ছত্ৰপতি শিৱাজী টাৰ্মিনাছৰ পৰা যাত্ৰা কৰি ১২ এপ্ৰিলৰ দিনৰ এঘাৰ বজাত নাৰেঙ্গীত উপস্থিত হ'ব। একেদৰে ০১০৬৬ নম্বৰৰ ৰেলখন ১৩ এপ্ৰিলৰ পুৱা ৫ বাজি ২৫ মিনিটত নাৰেঙ্গীৰ পৰা যাত্ৰা কৰি ১৫ এপ্ৰিলৰ পুৱা ৮ বাজি ২৫ মিনিটত ছত্ৰপতি শিৱাজী টাৰ্মিনাছত উপস্থিত হ'ব বুলি উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

অসম চৰকাৰে গ্ৰামাঞ্চলৰ জনসাধাৰণক ন্যায় প্ৰদানৰ বাবে পঞ্চায়ত ব্যৱস্থাত ব্যাপক পৰিৱৰ্তন সাধন কৰিছে বুলি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বৰপেটাত মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে আজি বৰপেটা জিলা পৰিষদৰ ভৱনটো পুনৰ নিৰ্মাণৰ কাম শুভাৰম্ভ কৰি এই বিষয়ে প্ৰকাশ কৰে। এই গৃহটো নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে শেহতীয়াকৈ পঞ্চদশ বিত্ত আয়োগৰ ২ কোটি টকা আৱণ্টন দিয়া হৈছে। শ্ৰীদাসে সাংবাদিকৰ আগত কয়, যে পঞ্চায়তৰ ক্ষেত্ৰত বিভিন্ন ব্যৱস্থা সংশোধন কৰাৰ লগতে নিবিদা আহ্বানত পঞ্চায়তৰ প্ৰতিটো স্তৰত অধিক ক্ষমতা দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই অনুসৰি গাওঁ পঞ্চায়তে ৫ লাখ টকা পৰ্যন্ত, আঞ্চলিক পঞ্চায়তে ৫ ৰ পৰা ১০ লাখ আৰু জিলা পৰিষদে ১০ লাখ টকাতকৈ অধিক নিবিদা আহ্বান কৰিব পাৰিব। মন্ত্ৰীগৰাকীয়ে এতিয়াৰে পৰা হাট বজাৰত কম পৰিমাণৰ সামগ্ৰী বিক্ৰী কৰাৰ লোক বা ক্ষুদ্ৰ ব্যৱসায়ীয়ে মহলদাৰক খাজনা দিয়াৰ প্ৰয়োজন নাই বুলি স্পষ্ট কৰি দিয়ে। ইয়াৰ ফলত কৃষকে ন্যায় লাভ কৰিব বুলি তেওঁ উল্লেখ কৰে। অহা ৫ এপ্ৰিলৰ ভিতৰত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ সম্ভাৱনা আছে বুলিও তেওঁ উল্লেখ কৰে।

০০০০০

ৰাজ্যৰ প্ৰাক্তন গৃহ মন্ত্ৰী প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ কন্যা উপাসা ফুকন আজি পুৱা আকস্মিকভাৱে মৃত্যুমুখত পৰে। আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে, আজি পুৱা প্ৰায় ৮ বজাত খাৰঘুলিৰ বাসগৃহৰ ছাদৰ পৰা পৰি যোৱা উপাসাক সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। তেওঁৰ শৱদেহ মৰনোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে। আৰক্ষীয়ে এই সংক্ৰান্তত অস্বাভাৱিক মৃত্যুৰ এটা গোচৰ পঞ্জীয়ন কৰিছে।

০০০০০

কৰ্মৰত অৱস্থাত সাংবাদিকৰ সুৰক্ষা লাভৰ বাবে এখন আইন প্ৰণয়নৰ দাবীৰে আজি গুৱাহাটীত এখন সাংবাদিকৰ সভা অনুষ্ঠিত হয়। গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত অনুষ্ঠিত এই সভাত উপস্থিত থকা প্ৰায় সকলো সাংবাদিকে নিজৰ অভিমত প্ৰকাশ কৰে। সভাত সাংবাদিকৰ নিৰাপত্তা আৰু সুৰক্ষাৰ বিষয়টো বিতংভাৱে আলোচনা কৰা হয়। সভাই সাংবাদিকৰ কৰ্মৰত অৱস্থাত সুৰক্ষাৰ আইন প্ৰণয়নৰ বাবে দাবী জনায়। লগতে সংবাদ সংগ্ৰহ কৰিবলৈ যাওতে কাম কৰি থকা প্ৰতিষ্ঠানৰ পৰিচয়-পত্ৰ, সাংবাদিকজনৰ কোনো স্বীকৃতিপ্ৰাপ্ত সাংবাদিক সংগঠনৰ পৰিচয় পত্ৰক মান্যতা প্ৰদান কৰিবলৈ দাবী জনোৱা হয়। সংবাদ সংগ্ৰহৰ বাবে যোৱাৰ সময়ত সাংবাদিকজনৰ যিকোনো ক্ষতি হ'লে যি ঠাইলৈ বাতৰি সংগ্ৰহ কৰিবলৈ গৈছিল তাৰ

কৰ্তৃপক্ষই ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিবলৈও সভাত দাবী জনোৱা হয়। সাংবাদিকে পাব লগা মৌলিক সুবিধা, বিশেষকৈ মহিলা সংবাদিকৰ বাবে বিশেষ সুবিধা প্ৰদান কৰাৰ দাবীত প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

০০০০০

হাইস্কুল শিক্ষান্ত পৰীক্ষাত গাফিলতি কৰাৰ অভিযোগত অসম মাধ্যমিক শিক্ষা সঞ্চালকালয়ে কামৰূপ জিলাৰ গাছবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক অশোক কুমাৰ চৌধুৰীক বাধ্যতামূলক অৱসৰ প্ৰদান কৰিছে। মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজাইয়ে এই সন্দৰ্ভত কালি নিৰ্দেশনা প্ৰদান কৰে। উল্লেখযোগ্য যে যোৱা ১৫ ফেব্ৰুৱাৰীত অনুষ্ঠিত ইংৰাজী বিষয়ৰ পৰীক্ষাৰ সময়ত গাছবাৰী হাইস্কুলত প্ৰশ্নকাকত পলমকৈ অহাক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। এই ঘটনাৰ বাবে প্ৰধান শিক্ষক চৌধুৰীক নিলম্বন কৰা হৈছে। ইয়াৰ পাছত বিভাগীয় তদন্তত গাফিলতি ধৰা পৰাত প্ৰধান শিক্ষক চৌধুৰীক বাধ্যতামূলক অৱসৰ প্ৰদান কৰা হয়।

০০০০০

ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানীৰূপে গঢ়ি তোলা হ'ব বুলি কৰা ঘোষণা সম্পৰ্কত ডিব্ৰুগড়ৰ নাগৰিকসকলৰ অভিমতৰ ভিত্তিত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। আকাশবাণীৰ ডিব্ৰুগড়ৰ সংবাদদাতা যাদৱ গগৈৰ সহযোগত অনুষ্ঠানটো প্ৰযোজনা আৰু উপস্থাপন কৰিব ৰাজীৱ লোচন বৰঠাকুৰে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই কাইলৈ নিশা চাৰে ৮ বজাত এই অনুষ্ঠান পুনৰ প্ৰচাৰ কৰিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গুৱাহাটী বৰ্ষাপাৰা ষ্টেডিয়ামত হ'বলগীয়া খেলত ৰাজস্থান ৰয়েলছ, চেন্নাই চুপাৰ কিংছৰ মুখামুখি হ'ব। সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া খেলখনৰ সমুদায় টিকট ইতিমধ্যে বিক্ৰী হৈছে। ৰিয়ান পৰাগ নেতৃত্বাধীন ৰাজস্থান ৰয়েলছে প্ৰথম দুয়োখন খেলত পৰাস্ত হোৱাৰ ফলত আজিৰ খেলখন গুৰুত্বপূৰ্ণ ৰূপে চিহ্নিত হৈছে।

০০০০

সমাপ্ত